بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৯এপ্ৰিল মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই যি সকল চাহাবা ইক্ৰামৰ বিষয়ে উল্লেখ কৰিম তাৰ মাজত প্ৰথমজন চাহাবী হল হজৰত উচমান বিন মজউন (ৰাঃ)। বনু জমিহা কুৰাইছে মক্কাৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। হজৰত মুছলেহ মাউদ (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ নবুয়ত দাবীৰ পিছত হোৱা অবস্থা সম্পৰ্কে বৰ্ণনাৰলৈ গৈ কৈছে যে আঁহজৰত (ছাঃ) ৰ নবুয়তৰ প্ৰথম সময়খিনিতেই তালহা,জুবায়েৰ,হামজা,আৰু উচমান বিন মজউনৰ দৰে লোক সকলৰ সমৰ্থন লাভ কৰিছিল। এখেত সকলৰ প্ৰত্যেকেই তেখেত (ছাঃ) ৰ প্ৰেম ভালপোৱাৰ আসক্ত হৈ পৰিছিল। তেখেত (ছাঃ) ৰ ঘামৰ সলনি নিজৰ তেজ দিবলৈ সাজু থাকিছিলি। ইয়াত কোনো সন্দেহ নাই,এখেত সকলে যে সদুৰ তেৰ বছৰ কাল সকলো ধৰণৰ বিপদ, সমস্যা আৰু কষ্ট,দুখ সহ্য কৰিব লগীয়া হৈছিল। কিন্তু আঁহজৰত (ছাঃ)ৰ বিশ্বাস আছিল যে মক্কাবাসী সকলৰ ফালৰ পৰা কিছুমান প্ৰজ্ঞামান,বুদ্ধিমান,মৰ্যাদা সম্পন্ন,তাকওয়াদাৰ আৰু পবিত্ৰ চেতা লোকে তেখেত (ছাঃ)ক মানি লৈছে। গতিকে এতিয়া মুছলমান সকলৰ শক্তিক দুস্তৰ শক্তি বুলি গণ্য কৰা হয়। যেতিয়া কোনো ব্যাক্তিয়ে ৰছুলুল্লাহ (ছাঃ) ৰ বিষয়ে কৈছিল যে (নাউজুবিল্লাহ)তেখেত এজন পাগল,তেতিয়া তেওঁৰেই লগৰীয়া এজন তেওঁক কৈছিল যে যদি তেখেত (ছাঃ) পাগলেই হয় তেন্তে অমুক ব্যাক্তি যিজনক প্ৰজ্ঞাবান আৰু বুদ্ধিমান বুলি গণ্য কৰা হয়,তেওঁ কিয় এখেতক মানি লৈছে ? এয়া এনেকুৱা এটা উত্তৰ আছিল যে ইয়াৰ বিপৰীতে কোনো ব্যাক্তিয়েই কথা কোৱাৰ সাহস দেখুৱাব নোৱাৰিছিল।

এজন ইউৰোপীয়ান লিখকে ৰছুলে কৰিম (ছাঃ)ৰ বিৰুদ্ধেবহু কিবা কিবি লিখি থাকে কিন্তু যতেই আবু বক্কৰ (ৰাঃ) ৰ নাম আহি যায়,তাতেই তেওঁ লিখিছে যে আবু বক্কৰ মহান নিস্বাৰ্থবাদী লোক আছিল।গতিকে যিজনক আবু বক্কৰ (ৰাঃ) য়ে মানি লৈছে তেখেত কেনেকৈ মিছলীয়া হব পাৰে ? যিজনক আবু বক্কৰ (ৰাঃ) য়ে মানি লৈছে,তেখেত প্ৰসংশাৰ যোগ্য।

হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে হজৰত মসীহ মাওউদ (আঃ) ৰ ওপৰত সৰ্বপ্ৰথমে হজৰত খলিফাতুল মছিহ আওয়াল (ৰাঃ) য়ে বিশ্বাস স্থাপন কৰিছে। ইয়াৰ পিছত আকৌ শিক্ষিত লোক সকলৰ এটা দলে আহি তেখেত (ছাঃ) ৰ লগত মিলিছিল।এনেদৰে আল্লাহ তায়ালায় তেখেত (ছাঃ) ক এনেকুৱা লগৰীয়া প্ৰদান কৰিছিল,বিশ্বাসী সকলে যাৰ প্ৰসংশা কৰে।

আকৌ আন এঠাইত মক্কাৰ কাফিৰ সকলৰ শত্ৰু আৰু ইৰ্ষা সম্পৰ্কে লিখিবলৈ লওঁতে হজৰত মুছলেই মাওউদ (ৰাঃ) বৰ্ণনা কৰিছে যে আল্লাহ তায়ালা এনেকুৱা উপায়ৰ জন্ম দিছে যে কাফিৰ সকলৰ অন্তৰ সদায় জ্বলি পুৰি ছাই হৈ গৈছিল। কোনো এটা ডাঙৰ গোত্ৰ এনে নাছিল যে যিসকলৰ এজনে ৰছুলুল্লাহ (ছাঃ) ৰ দাসত্ব গ্ৰহন .কৰা নাছিল।হজৰত উচমান মজউনৰ এনেকুৱাই এটা ডাঙৰ বংশৰ লোক আছিল। মুঠতে হেজাৰ হেজাৰ এনাকুৱা আছিল,যিসকলে ইছলামৰ তীব্ৰ বিৰোধীতা কৰিছিল। কিন্তু সিহঁতৰ সতি-সন্তানে নিজকে নিজে মহম্মদ ৰছুলুল্লাহৰ চৰন পেযুত সমৰ্পন কৰিছিল আৰু ৰণ ক্ষেত্ৰত নিজৰ দেউতা আৰু অন্যান্য আত্মীয় সকলৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিছিলি। হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে ইবনে ইছহাকৰ মতে হজৰত উচমান বিন মজউন তেৰজন লোকৰ পিছতো ইছলাম গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) আৰু নিজৰ পুত্ৰ ছায়েব,মুছলমান সকলৰ এটা জামাতৰ লগত হাবশালৈ প্ৰথমবাৰ হিজৰত কৰিছিল। হাবশাত অৱস্থান কৰা কালীন যেতিয়া এওঁলোকে খবৰ পাইছিল যে মক্কাৰ কুৰাইছ সকলে মুছলমান হৈ গৈছে তেতিয়া এখেত (ৰাঃ)য়ে মক্কালৈ উভতি আহিছিল।কিন্তু আহি উপস্থিত হোৱাৰ পিছত জানিব পাৰিছিল যে এয়া মিছা খবৰ।সেয়ে কিছুমান লোকে আকৌ উভতি গৈছিল আৰু কিছুমানে আনৰ নিৰাপত্তাৰ অধীনত মক্কাত থাকি গৈছিল। সেই ঘটনাত হজৰত উচমান বিন মজউন (ৰাঃ) য়ে অলিদ বিন মুগিৰাৰ নিৰাপত্তাৰ অধীনত আহিছিল। মক্কা নগৰত প্ৰৱেশ কৰি উচমান (ৰাঃ) য়ে জানিব পাৰিছিল যে আঁহজৰত (ছাঃ) আৰু তেখেতৰ চাহাবা সকলৰ দুখ দিয়া হৈ আছে আৰু তেখেত সকলৰ ওপৰত অত্যাচাৰ চলোৱা হৈ আছে। তেতিয়া হজৰত উচমান বিন মজউন (ৰাঃ) য়ে অলিদ বিন মুগিৰাক কৈছিল যে আপুনি মোক দিয়া আপোনাৰ নিৰাপত্তা উঠাই লওঁক।

আল্লাহ তায়লাৰ নিৰাপত্তা মোৰ বাবে যথেষ্ট। অলিদে কৈছিল হে মোৰ ভতিজা কিয় মোৰ নিৰাপত্তাত তোৰ কষ্ট হৈছে নেকি,নে কিবা অসন্মান হৈছে ? তেতিয়া হজৰত উচমান (ৰাঃ) উত্তৰ দিছিল নহয়,কিন্তু আল্লাহৰ নিৰাপত্তাই মোৰ বাবে যথেষ্ট। সেয়া শুনি অলিদে কৈছিল যে তেন্তে খানা কাবাত গৈ উচ্চস্বৰে ঘোযনা কৰি মোৰ নিৰাপত্তাৰ বাহিৰ হৈ যোৱা। হজৰত উচমান (ৰাঃ) য়ে খানা কাবাত গৈ সকলোৰে সন্মুখত অলিদৰ নিৰাপত্তাৰ বাহিৰ হোৱাৰ ঘোযনা কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে এতিয়া মই হিজৰতে হাবশাৰ চমু বৰ্ণনাবলৈ লৈছো।হজৰত মিৰ্যা বশিৰ উদ্দিন আহমদ চাহাবে লিখিছে যে যেতিয়া মক্কাত মুছলমান সকলৰ দুখ কষ্টৰ সীমা চেৰাই গৈছিল,আৰু কুৰাইছ সকলে নিজৰ জুলুম অত্যাচাৰ বঢ়াই তুলিছিল,তেতিয়া আঁহজৰত(ছাঃ) য়ে মুছলমান সকলৰ হাবশাৰ ফালে হিজৰত কৰিবলৈ পৰামৰ্শ দিছিল। লগতে কৈছিল যে হাবশাৰ ৰজা ন্যায় বিচাৰ পছন্দ কৰে। সেই মতেই পাচঁ নৱবীৰ ৰজব মাহত এঘাৰজন পুৰুষ আৰু চৰিজনী মহিলা হাবশাৰ ফালে হিজৰত কৰি গৈছিল। ইয়াতে আচৰিতজনক কথা আছিল আছিল এয়া যে এই প্ৰথম মুহাজেৰিন সকলৰ বেছি ভাগেই আছিল কুৰাইছ সকলৰ শক্তিশালী কবিলাৰ লোক। ইয়াৰ পৰা দুটা বিষয়ে অনুমান কৰিব পাৰি যে এওঁলোকে সেই শক্তিশালী কবিলাৰ লোক হোৱা সত্বেও কুৰাইছ সকলৰ অত্যাচাৰৰ হাত সাৰিব পৰা নাছিল। আনহাতে এওঁলোকৰ মাজত এনেকুৱা অৰ্থ সম্বলহীন লোক আছিল,উদাহৰণ স্বৰুপ দাসসকল,সেই সময়ত এনেকুৱা দৰিদ্ৰ আছিল যে তেওঁলোকৰ হিজৰত কৰিবলৈও শক্তি নাছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে এই ঘটনা খিনি নিজৰ ভাষাত এনেদৰে বৰ্ণনা কৰিছে যে এই চাহাবা সকলে মক্কাৰ পৰা ওলাই যোৱাটো এটা বৰ বেদনা দায়ক আৰু সৰ্মান্তিক ঘটনা আছিল। এওঁলোকৰ অন্তৰৰ অবস্থা যি আছিল,সেয়া আছিলেই,সিহঁতক দেখিলেও চকু থৰ লগা অবস্থা আছিল।গতিকে যেতিয়া এই দলটোৱে ওলাই যাত্ৰা কৰিবলৈ লৈছিল তেতিয়া হজৰত উমৰৰ লগত বাটতে সাক্ষাত হৈছিল।সেই সময়লৈকেও হজৰত উমৰ ইছলামৰ ঘোৰ শত্ৰু আছিল।দলটোত উম্মে আব্দুল্লাহ নামৰ এজনী মহিলাও আছিল।যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে দলৰ লোকৰ সা-সৰঞ্জাম বাহন আদি দেখিছিল তেতিয়া এখেতে বুজি পাইছিল যে এওঁলোকে মক্কা এৰি গুচি গৈ আছে। হজৰত উমৰ (ৰাঃ) য়ে সুধিছিল,হে উম্মে আব্দুল্লাহ এয়া দেখোন হিজৰত সা সৰঞ্জাম দেখিবলৈ পাইছো। তেতিয়া উম্মে আব্দুল্লাহ উত্তৰ দিছিল,হয় খোদাৰ কছম আমি অইন কোনো দেশলৈ গুচি যাম, কাৰণ তোমালোকে আমাক বহুত দুখ দিছা আৰু মাৰ ওপৰত বহু অত্যাচাৰ কৰিছা।আমি সেই সময়লৈকে নিজৰ এই দেশলৈ ঘুৰি নাহো যেতিযালৈকৈ খোদা তায়লা আমাৰ বাবে ইয়াত শান্তি প্ৰতিষ্ঠা নকৰে। উম্মে আব্দুল্লাহ বৰ্ণনা কৰিছে যে এযা শুনি হজৰত উমৰ (ৰাঃ)যে কৈছিল ঠিক আছে ভাল কথা তোমালোকৰ সহায় হওঁক। ইয়াৰ পিছত তেওঁ মুখ ঘুৰাই বাট ধৰিছিল। তেতয়িা মই অনুমান কৰিছিলো যে আমাৰ এই ঘটনাত তেওঁ বৰকৈ চিন্তান্বিত হৈছে। যেতিয়া মক্কা বাসীয়ে এই যাত্ৰাৰ বিষয়ে গম পাইছিল তেতিয়া তেওঁলোকে সিদ্ধান্ত লৈছিল যে এটা দল আমাৰ ফালৰ পৰা হাবশাৰ ৰজাৰ ওচৰত পঠাই দিয়া যাওঁক।যিসকলে গৈ মুছলমান সকলৰ বিৰুদ্ধে ফুচুলায় আৰু বুজাব যে তেওঁ মুছলমান সকলক মক্কী সকলৰ ওচৰত গতাই দিব লাগে।ইয়াৰ পিছত কাফিৰ সকলৰ দল এটা গৈ হাবশাৰ ৰজাক লগ ধৰে আৰু ৰাজদৰবাৰৰ বিষয়া বৰ্গক ফুচলুনি দিয়ে। কিন্তু আল্লাহ তায়লা হাবশাৰ ৰজাৰ মন সুদৃঢ় কৰি দিয়ে আৰু মক্কাবাসীৰ ফুচুলনি আৰু বিষয়া বৰ্গৰ বুজনি সত্বেও ৰজাই মুছলমান সকলক কাফিৰ সকলৰ হাতত গতাই দিবলৈ অমান্তি হৈছিল। যেতিয়া এই দলটোৱে একো কৰিব নোৱাৰি ওভতি আহে তেতিয়া মক্কা বাসীয়ে সেই মুছলমান সকলক ঘুৰাই আনিবলৈ আন এটা বুদ্বি পাঙিলে।এওঁলোকে হাবশালৈ যোৱা কোনো এটা বা কিছুমান দলৰ ওচৰত এই খবৰ প্ৰচাৰ কৰি দিয়ে যে মক্কাৰ সকলো মানুহেই মুছলমান হৈ গৈছে । যেতিয়া এই খবৰ হাবশালৈ যোৱা মুছলমান সকলে শুনিবলৈ পাইছিল,বৰ আনন্দিত হৈছিল আৰু তেওঁলোকে মক্কালৈ ওভতি আহিছিল।কিন্তু মক্কালৈ আহি তেওঁলোকে গম পাইছিল যে বাতৰি চয়তানি কৰি কাফিৰ সকলে প্ৰচাৰ কৰিছে, ইয়াৰ কোনো ৱাস্তৱতা নাই। সেয়ে আকৌ কিছুমানে হাবশালৈ উভতি গৈছিল আৰু কেইমানে মক্কাত থাকি গৈছিল।এই মক্কাত ৰৈ যোৱা সকলৰ ভিতৰত হজৰত উচমান বিন মজউন (ৰাঃ) ও আছিল। এওঁ মক্কাৰ এজন ডাঙৰ ৰায়েচৰ পুত্ৰ আছিল। সেয়ে তেখেতৰ দেউতাকৰ এজন বন্ধু অলিদ বিন মগিৰায় তেখেতক আশ্ৰয় দিছিল আৰু তেখেতে নিৰাপদে মক্কাত থাকিবলৈ লৈছিল। কিন্তু সেই সময়ত তেখেত দেখিবলৈ পাইছিল যে আন আন মুছলমান সকলক অত্যাচাৰ কৰা হৈ আছে আৰু কঠিন শাস্তি দিয়া হৈ আছে তেখেত বৰ সু-হৃদয়ৰ ডেকা আছিল গতিকে এয়া দেখি সহ্য কৰিব নোৱাৰি অলিদৰ ওচৰলৈ গৈ কৈছিল যে মই আপোনাৰ আশ্ৰয় আপোনাক ঘুৰাই দিলো কাৰণ এয়া দেখি মই সহ্য কৰিব নোৱাৰো যে অইন মুছলমান সকলে কষ্ট ভোগ কৰিব আৰু মই আৰামত থাকিম। গতিকে অলিদে ঘোযনা কৰি দিছিল যে উচমান এতিয়া মোৰ আশ্ৰয়ত নাই। এদিন আৰবৰ এজন বিখ্যাত কবি লবিদে মক্কাৰ নেতা বৰ্গৰ মাজত বহি নিজৰ ৰচিত কবিতা শুনাই আছিল। ইয়াৰে এক পংউক্তি

আছিল। (ওয়া কুল্লু নিমাল মুহাল্লাতুন জায়লুন )অর্থ্যাৎ সকলো অনুগ্ৰৰাজীয়েহ অবশেষত নিচ্ছিন্ন হৈ যাব। উচ্মান বিন (ৰাঃ) য়ে কৈছিল যে এয়া ভূল কথা কাৰণ জান্নাতৰ নিয়মত সদায় বিৰাজমান থাকিব। লবিদ সেই সময়ৰ এজন প্ৰতিষ্ঠিত ব্যাক্তি আছিল।তেওঁ উচমান (ৰাঃ)ৰ কথা শুনি ৰাগান্বিত হৈ কৈছিল যে জে কুৰাইছ সকল তোমালোকৰ অতিথি সকলক দেখোন আগতে এনেদৰে অপমান কৰা হোৱা নাছিল। এতিয়া এনা ৰীতি কেতিয়াৰ পৰা আৰম্ভ হল ? এয়া শুনি সেই বৈঠকৰ এজনে কৈছিল এওঁ এজন (উচমান) নিৰ্বোধ লোক। এওঁৰ কথাত কাণ দিব নালাগে।কিন্তু হজৰত উচমান (ৰাঃ) য়ে নিজৰ কথাত অটুট হৈ আছিল আৰু কৈছিল এয়া নিৰ্বোধ হোৱাৰ কি কথা,যি মই কৈছো সেয়া চিৰ সত্য। উক্ত কথাখিনি শুনাৰ লগে লগে এজনা উঠি আহি উচমান (ৰাঃ) ৰ মুখত এটা ফুকু মাৰিছিল.সেই আঘাতত তেখেত (ৰাঃ) ৰ এটা চকু বেয়া হৈ গৈছিল। অলিদ বিন মুগিৰাও সেই বৈঠকত বহি আছিল। নিজৰ মৃত বন্ধুৰ পুতেকৰ এই অবস্থা চাই বৰ দুখিত হৈছিল কাৰণ মক্কাৰ ৰীতি অনুযায়ী তেতিয়া হজৰত উচমান বিন মজউন (ৰাঃ)ৰ অলিদৰ আশ্ৰয়ত নথকা কাৰণে তেখেতক সহায় কৰিব পৰা নাছিল।বৰ দুখিত হৈ অলিদে হজৰত উচমান (ৰাঃ) ক হে মোৰ ভতিজা,খোদা তায়ালাৰ কছম তোমাৰ এই চকু আঘাত প্ৰাপ্ত নহলহেঁতেন যিহেতু এটা শক্তিশালী নিৰাপত্তা আছিলা। কিন্তু তুমি সেই আশ্ৰয়ৰ পৰা ওলাই গৈছা আৰু এতিয়া এই পৰিস্থিতিৰ সন্মুখীন হৈছা। তেতিয়া উচ্মান (ৰাঃ) য়ে কৈছিল যে মোৰ লগত যি হৈছে মই নিজেই এয়া বিচাৰিছিলো।তুমি মোৰ ফুটি যোৱা চকুৰ নিমিত্তে আফছোচ কৰি আছা।ভনীৰ সৈতে যি হৈছে সেয়া মোৰ কিয় নহল। হজৰত উচমান (ৰাঃ) য়ে অলিদককৈছিল য়ে মহম্মদ ৰছুলুল্লাহৰ আদৰ্শই মোৰ বাবে যথেষ্ট। তেখেত (ছাঃ) যদি দুখ কষ্ট সহ্য কৰি আছে তেন্তে মই কিয় নকৰিম। মোৰ নিমিত্তে খোদাৰ দয়াই যথেষ্ট।

হজৰত মুছলেহ মাউদ ৰাঃ য়ে কৈছে যে হজৰত উচমান ৰাঃ য়ে বৈঠকত কোৱাৰ কাৰণ আছিল,তেখেতে কোৰ-আন কৰিম শুনিছিল,ইছলামী শিক্ষা শুনিছিল,কোৰ-আন পঢ়িছিল,সেয়ে তেখেতৰ ওচৰত এনেকুৱা কবিতাৰ কোনো যথাৰ্থতা নাছিল। বৰং লবিদে নিজে মুছলমান হোৱাৰ নিমিত্তে এই পদ্ধতি অবলম্বন কৰিছিল। গতিকে হজৰত উমৰ ৰাঃ য়ে এবাৰ নিজৰ গবৰ্ণৰ এজনক কৈছিল যে কিছুমান বিখ্যাত কবিৰ কবিতা তেখেতলৈ পঠাব লাগে। য়েতিয়া এই কথাখিনি লবিদক জনোৱা হয়তেতিয়া লবিদে কোৰ-আন কৰিমৰ কেইটামান আয়াত লিখি হজৰত উমৰ (ৰাঃ) লৈ পঠিয়াই দিছিল।

হজৰত উচমান বিন মজউন (ৰাঃ) ৰ লগত আহঁজৰত (ছাঃ) ৰ যে সম্পৰ্ক আৰু চানেহ আছিল,সেয়া এটা ঘটনাৰ পৰা স্পষ্ট প্ৰকাশ পাইছে। ৰোৱায়েতত আছে যে হজৰত উচমান বিন মজউনৰ মৃত্যুৰ পিছত আহঁজৰত (ছাঃ) য়ে তেখেতক চুমা দিছিল আৰু তেখেত (ছাঃ) ৰ চকুলো লিগৰি আহিছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ) ৰ চাহাবাজাদা ইব্ৰাহিমৰ মৃত্যু হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে ইব্ৰাহিমৰ দেহা মোবাৰক চাই কৈছিল -আলহাক্কু বিছালাফানাচ্ছালেহিনউচমান ইবনে মজউন। অৰ্থ্যাৎ আমাৰ চালেহ আজিজ উচমান বিন উমৰ কাষলৈ যোৱা।

হজৰত উচমান বিন মজউনৰ মদিনা হিজৰত সম্পৰ্কে এনেদৰে উল্লেখ পোৱা যায়।মহম্মদ বিন উমৰু ওয়াকদি বৰ্ণনা কৰিছে যে মজউনৰ বংশধৰ সকল,সেইলোক আছিল, যি সকলৰ পুৰুষ-মহিলা সকলোৱে একগোট হৈ হিজৰত কৰিবলৈ যাত্ৰা কৰিছিল আৰু এজনো মক্কাত ৰৈ নাছিল।হজৰত উম্মে আলা বৰ্ণনা কৰিছে যে যেতিথা ৰছুলুল্লাহ (ছাঃ) আৰু মুহাজেৰিণ সকলে মদিনালৈ আহিছিল। তেতিয়া আনছাৰ সকলে ইচ্ছা কৰিছিল যে এওঁলোক মুহাজেৰিণ সকলে তেওঁলোকৰ ঘৰত থাকক । সেয়ে আনছাৰ সকলে নিজৰ মাজত উচ কৰিছিল,আৰু হজৰত উচমান বিন মজউন আমাৰ ভাগত পৰিছিল। আহঁজৰত ছাঃ হজৰত উচমান বিন মজউন আৰু হজৰত আবু হিশাম তিহানৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। হজৰত উচমান বিন মজউন (ৰাঃ) য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহন ক্ৰিছিল,দিনত নফল ৰোজা ৰাখিছিল আকৌ ৰাতিত উপসনাত মগ্ন থাকিছিল। নিজৰ ইচ্ছা প্ৰবৃত্তিৰ পৰা আঁতৰি থাকিছিল।নাৰী সংসৰ্গ ত্যাগ কৰি থকাৰ চেষ্টা কৰিছিল। এখেত (ৰাঃ) য়ে ৰছুলুল্লাহ (ছাঃ) ৰ পৰা এই জগত ত্যাগ আৰু নিজকে বন্ধা ক্ৰি লোৱাৰ অনুমতি বিচাৰিছিল কিন্তু ৰছুলে কৰিম (ছাঃ) সেয়া কৰিবলৈ নিষেধ কৰিছিল। উক্ত কথাখিনি আছাদুল গাৰিয়া নামৰ কিতাপত উল্লেখ আছে।

আকৌ আন এটা ৰোৱায়েতত আছে যে এদিন হজৰত উচমান বিন মজউনৰ পত্নী নবী (ছাঃ) ৰ পত্নী সকলৰ ওচৰলৈ আহে। আজওয়াজ মুতাহেৰাত সকলে তাইক লেতেৰা লেতেৰা হৈ থকা দেখা পাই সুধিছিল তুমি নিজৰ অবস্থা এনেকুৱা কিয় বনাই ৰাখিছা ? নিজকে নিজে পৰিষ্কাৰ পৰিচ্ছন্ন,ধুনীয়া ৰখা কৰিবা।তোমাৰ স্বামী কুৰাইছ সকলৰ মাজত আটাইতকৈ চহকী লোক।তেতিয়া হজৰত উচমান ৰাঃ পত্নীয়ে কৈছিল মোৰ বাবে তেওঁৰ মাজত একোৱে নাই। মোৰ ফালে তেওঁৰ একো মনোযোগ নাই।তেওঁ আল্লাহৰ ইবাদত কৰাত সদায় মগ্ন হৈ থাকে। মোৰ ফালে দৃষ্টি বুলিবলৈ একো নাই। নবী ছাঃক আজওয়াজ সকলো এই ঘটনা শুনোৱাৰ পিছত তেখেত

(ছাঃ) য়ে হজৰত উচমান বিন মজউন ৰাঃ ক লগ ধৰি কৈছিল যে কিয় তোমাৰ নিমিত্তে মোৰ ব্যাক্তিত্বত আদৰ্শ নাইনে ? হজৰত উচমান ৰাঃ য়ে উত্তৰ দে মই সদায় আপোনাক অনুসৰণ কৰি চলিবলৈ চেষ্টা কৰোঁ। তেতিয়া আঁহজৰত (ছাঃ) য়ে সুধিছিল যে তুমি প্ৰত্যহ ৰোজা উত্তৰ দিছিল হয়, মই তেনেকুৰাই কৰোঁ। আঁহজৰত (ছাঃ) য়ে কৈছিল তেনেকুৰা নকৰিবা। তোমাৰ চকুযোৰিৰ তোমাৰ ওপৰত অধিকাৰ আছে, তোমাৰ শৰীৰটোৰোও তোমাৰ ওপৰত অধিকাৰ আছে, আৰু তোমাৰ পত্নীৰো তোমাৰ ওপৰত অধিকাৰ আছে,তোমাৰ লৰা-ছোৱালীৰও তোমাৰ ওপৰত অধিকাৰ আছে। গতিকে নমাগ পঢ়িবা কিন্তু শুই থকাৰো প্ৰয়োজন আছে। ৰোজা ৰাখিবা কিন্তু আকৌ এৰিও দিবা। যদি নফল ৰোজা ৰখাৰ চাহিদা আছে, তেন্তে নিশ্চয়, কিন্তু মাজে মাজে বিৰতি ৰখা উচিত। ইয়াৰে কিছুদিন পিছত হজৰত উচমান (ৰাঃ) ৰ পত্নীয়ে আজওয়াজে মুতাহেৰাত সকলৰ ওচৰত যায়,সেই দিনা তাই সুগন্ধি লগাই সাজি-কাচি নকৰাৰ দৰে হৈ গৈছিল। সেয়ে এওঁলোকে উচমান (ৰাঃ) ৰ পত্নীক কৈছিল কি কথা আজি দেখোন বেলেগ সাজোন-কাচোনেৰে ওলাই আহিছা। তেতিয়া তাই কৈছিল মইও সেয়া লাভ কৰিছোঁ। যি লোক সকলে লাভ কৰি থাকে অৰ্থ্যাৎ মোৰ পতিয়ে মোলৈ দৃষ্টি ও মনোযোগ ৰখা কৰিছে।

হজৰত আয়েশা (ৰাঃ) ৰ পৰা বৰ্ণিত আছে যে আঁহজৰত (ছাঃ) য়ে হজৰত উচমান বিন মজউন (ৰাঃ) ক মাতি আনি কৈছিল কিয় তুমি মোত ৰীতি নিয়ম অপছন্দ কৰা নেকি ? তেখেত (ৰাঃ) য়ে উত্তৰ দিছিল ইয়া ৰছুলুল্লাহ নহয় মই আপোনা ৰীতিয়ে অবলম্বন কৰিব বিচাৰো। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে মই শুই থাকো,নমাজও পঢ়ো,ৰোজাও ৰাখি, কেতিয়াবা আকৌ নাৰাখো,আৰু বিবাহ কৰিছোঁ। হে উচমান খোদা তায়ালাক ভয় কৰা, তোমাৰ ওপৰত তোমাৰ পত্নীৰ অধিকাৰ আছে,আৰু তোমাৰ নিজ প্ৰবৃত্তিৰো তোমাৰ ওপৰত অধিকাৰ আছে। গতিকে কেতিয়াবা কেতিয়াবা ৰোজা এৰিবা নামাজ পঢ়িবা শুইও থাকিবা।

হজৰত মিৰ্যা বশিৰ আহমদ চাহাবে লিখিছে হজৰতউচমান ৰাঃ য়ে সেই মূৰ্খতাৰ যুগতও মদ পান কৰা নাছিল। ইছলাম গ্ৰহন জগতৰ সকলো চাহিদা এৰিব বিচাৰিছিল। কিন্তু আঁহজৰত (ছাঃ) য়ে ইছলামত সন্ন্যাস ব্ৰত নাই বুলি কৈ উচমান (ৰাঃ) ক অনুমতি দিয়া নাছিল।

হজৰত উচমান বিন (ৰাঃ) য়েই প্ৰথম মুহাজিৰ আছিল,যিজনে মদিনাত মৃত্যুবৰণ কৰিছে। ২ হিজৰিত এখেত (ৰাঃ) ৰ মৃত্যু হেছে। আকৌ কিছুমানৰ মতে হজৰত উচমান বিন মজউন ৰাঃ বদৰৰ যুদ্ধৰ ২২ মাহ পিছত মৃত্যুবৰণ কৰিছে। এখেত (ৰাঃ) ক জান্নাতুল বকিত দফন হোৱা ব্যাক্তি। যিয়েই নহওঁক হজৰত উচমান বিন মজউন (ৰাঃ) সম্পৰ্কে আগলৈ আৰু বৰ্ণনাবলৈ থাকি গল। আল্লাহ তায়ালা এখেত (ৰাঃ) ৰ মৰ্যাদা উন্নতি কৰক। (আমিন)

**********

# (BOOK POST PARINTED MATTER)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 19 April.. 2019**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**